# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 12-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

কাইলৈ ভোগালী বিহুৰ উৰুকা। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীতো ভোগালীৰ সীমাহীন ব্যস্ততা পৰিলক্ষিত হৈছে। প্ৰতিবাৰৰ দৰে এইবেলিও বৃহত্তৰ উজানবজাৰ অনুসূচীত নিবনুৱা মৎস্য ব্যৱসায়ী সন্থাই কাইলৈ উৰুকা উপলক্ষে উজান বজাৰত ৭০ টন মাছ বিক্ৰীৰ লক্ষ্য লৈছে। সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ দাসে এইকথা প্ৰকাশ কৰে। ইপিনে, আজি পুৱাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উজানবজাৰ অনুসূচীত নিবনুৱা মৎস্য ব্যৱসায়ী সন্থাই ভোগালী বিহু উপলক্ষে মাছ উপহাৰ দিয়ে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লখিমীক আদৰি উছাহেৰে ভোগালী বিহু পালন কৰিবলৈ ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁক সাক্ষাৎ কৰি পৰম্পৰাগত উপহাৰ প্ৰদান কৰা প্ৰতিজন ব্যক্তিক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ভোগৰ উৎসৱ উপলক্ষে দৈ, মাছ, পিঠা-পনা ইত্যাদি পৰম্পৰাগত খাদ্য সম্ভাৰসমূহ আৰ্থিকভাৱে দুৰ্বলসকলক ভগাই দিয়া হ'ব।

শিৱসাগৰ জিলাত টাই-আহোম যুৱ পৰিষদৰ উদ্যোগত ৰংঘৰ বাকৰিত ৰংপুৰ মেলাৰ আয়োজন কৰা হৈছে। ২০১১ বৰ্ষৰ পৰা ধাৰাবাহিকভাৱে আয়োজন কৰা এই মেলাত বিভিন্ন জনগোষ্ঠীয় খাদ্য সম্ভাৰ পৰিৱেশন কৰা হৈছে। ১০ জানুৱাৰীৰ পৰা চলি থকা এই মেলাৰ মূল অনুষ্ঠান ১৫ জানুৱাৰী অৰ্থাৎ পহিলা মাঘত অনুষ্ঠিত হ'ব। ইফালে গোলাঘাট জিলাত বোকাখাত মহকুমা প্ৰশাসনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া বিলসমূহত মাঘ বিহুৰ সময়ত মাছ ধৰাত নিষেধাজ্ঞা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত অবৈধভাৱে মাছধৰা সকলক দণ্ড বিহা হ'ব বুলি বোকাখাত মহকুমা প্ৰশাসনে ঘোষণা কৰিছে।

উল্লেখযোগ্য যে মাঘ বিহুৰ সৈতে সম্পৰ্ক থকা পৰম্পৰাগত ম'হ যুঁজ আৰু বুলবুলি চৰাইৰ যুঁজৰ দৰে খেল-ধেমালিসমূহ ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ বাবে অনুষ্ঠিত নহয়।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰিছে। বিবদমান ৯ খন পঞ্চায়তক বাদ দি অতিশীঘ্ৰে ৰাজ্যজুৰি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। শ্ৰীভূমি, কাছাৰ, হাইলাকান্দি আৰু মৰিগাঁৱক সামৰি এই বিষয়ত ৯ খন লেখ আবেদন দাখিল কৰা হৈছিল। ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ আদালতে এই সম্পৰ্কত পৰহি স্থগিত ৰখা ৰায়দান আজি প্ৰদান কৰে।

ooooo

ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত যুৱনেতা আলোচনা ২০২৫ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰে। আলোচনাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে যুৱ প্ৰজন্মৰ ৩ হাজাৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। ইয়াৰ লগতে তেওঁ আলোচনাস্থলীত আয়োজিত প্ৰদৰ্শনী পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে শুকুৰবাৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে এই আলোচনা চক্ৰ অনুষ্ঠিত হৈছে।

ভাৰতবৰ্ষৰ প্ৰাচীন সভ্যতা-সংস্কৃতিৰ ধাৰা পশ্চিমীয়া দেশসমূহলৈও প্ৰৱহমান কৰাত অগ্ৰণী ভূমিকা পালন কৰা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে ভাৰতীয় জনতা যুৱ মৰ্চাই গুৱাহাটীত পালন কৰা ৰাষ্ট্ৰীয় যুৱ দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। যুগদ্ৰষ্টাগৰাকীৰ আদৰ্শৰে দেশৰ যুৱ সমাজক নতুন ৰাষ্ট্ৰ গঠনৰ সংকল্প ল'বলৈ ড০ শৰ্মাই আহ্বান জনায়।

০০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ আজি অন্তিম দিন। আজিৰ কাৰ্যসূচীত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীৰ সঞ্চালনাত হ'বলগীয়া মুকলি অধিৱেশনত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মেঘালয় আৰু ছিকিমৰ মুখ্যমন্ত্ৰীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাগ ল'ব। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এই মুকলি সভা উদ্বোধন কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই কোকৰাঝাৰ কেন্দ্ৰৰ সহযোগত আজিৰ মুকলি অধিৱেশনৰ কাৰ্যসূচী পোনপটীয়াকৈ প্ৰচাৰ কৰিছে।

অধিবেশনৰ কালি তৃতীয় দিনা পতাকা উত্তোলন কৰি দিয়া ভাষণত সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে বড়ো ভাষাত এখন বিশ্বকোষ প্ৰকাশৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰে। বড়ো ভাষাৰ উত্তৰণৰ বাবে তথা নৱ প্ৰজন্মই ভাষাটো শুদ্ধৰূপত চৰ্চা কৰিব পৰাকৈ চাৰিটা ভাষাৰ পূৰ্ণাংগ অভিধান এখন ইতিমধ্যে প্ৰণয়ন কৰি প্ৰকাশ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। অধিৱেশনৰ অংশ হিচাপে বড়ো সাহিত্য সভাৰ প্ৰয়াত কাণ্ডাৰীসকলক স্মৰণ কৰি কালি আয়োজন কৰা শ্ৰদ্ধাঞ্জলি তৰ্পণৰ লগতে সম্বৰ্ধনা আৰু শিল্পী সাহিত্যিকক বঁটা প্ৰদান অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মা, প্ৰাক্তন উপ-সভাপতি মৃণালিনি দেৱী, ডিমাচা সাহিত্য সভাৰ সভাপতি আলো নুনিছা থাউছেন, গাৰো সাহিত্য সভাৰ প্ৰধান সম্পাদক জনকেৰি ছাংমা আৰু মিছিং সাহিত্য সভাৰ প্ৰধান সম্পাদক সুমেশ্বৰ পকটাককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

ৰাজভৱনত কালি আয়োজন কৰা প্ৰাক ভোগালী উৎসৱত সংবাদ মাধ্যমৰ লোকসকলৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মত বিনিময় কৰে। তেওঁ ভোগালী বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছাও জ্ঞাপন কৰে। কালি অনুষ্ঠিত সংবাদমেলত ৰাজ্যপালগৰাকীয়ে কয়, যে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিচৰা ৰাজ্যৰ ৫১২ গৰাকী শিক্ষাৰ্থীৰ বাবে ৰাজভৱনৰ পৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ একাংশ সম্পাদক আৰু সাংবাদিকক আমন্ত্ৰণ কৰি অনুষ্ঠিত কৰা এই প্ৰাক ভোগালী উৎসৱত তেওঁ লগতে কয়, যে প্ৰশিক্ষণ গ্ৰহণ কৰিবলগীয়া ৫১২ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৫০০ গৰাকীক অনলাইন ব্যৱস্থাৰে আৰু আন ১২ গৰাকীক অফলাইন ব্যৱস্থাৰে প্ৰশিক্ষণ প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই শিক্ষাৰ্থীসকলে যাতে লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে, তাৰ বাবে ৰাজভৱনৰ তৰফৰ পৰা বিভিন্ন সুবিধা দিয়া হ'ব বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

দিব্যাংগ ব্যক্তিসকলৰ লগতে কলা আৰু সাংস্কৃতিক কৰ্মী, সামাজিক কৰ্মী, সাহিত্যিক আদি বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিক উৎসাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি ৰাজ্যপাল আচাৰ্যই লগতে কয়, যে এনে ব্যক্তিক সম্বৰ্ধনা আৰু বঁটা প্ৰদান কৰাৰো ব্যৱস্থা লোৱা হৈছে। অসমৰ জনসাধাৰণে মহাপুৰুষ

শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ পৰম্পৰাৰে বিভিন্ন উৎসৱক আদৰ-সন্মান জনোৱা কাৰ্যৰো ৰাজ্যপালগৰাকীয়ে শলাগ লয়।

০০০০০

যোৰাবাটৰ চৈধ্যমাইলৰ দুটাকৈ স্থানত আজি এছ্ টি এফে ড্ৰাগছ্ বিৰোধী অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ গাঞ্জা আৰু সুৰা জব্দ কৰে। এছ্ টি এফৰ বিষয়া কপিল পাঠকৰ নেতৃত্বত চলোৱা এই অভিযানত দুগৰাকী মহিলা সৰবৰাহকাৰীৰ পৰা চাৰে সাত কিলোগ্ৰাম গাঞ্জা আৰু ৩৫৫ টা বিভিন্ন ব্ৰেণ্ডৰ মেঘালয়ত প্ৰস্তুত কৰা সুৰাৰ বটল জব্দ কৰা হয়। এছ্ টি এফৰ দলটোৱে মহিলাদুগৰাকীৰ পৰা নগদ ধন আৰু ৩ টা মোবাইলো জব্দ কৰে।

০০০০০

সমাপ্ত